# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 11-10 -2025

**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**-------------------**

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰা শিল্পীগৰাকীৰ ভিছেৰা প্ৰতিবেদন আজি আৰক্ষীয়ে লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনে এই সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিয়ে প্ৰতিবেদন পুংখানুপুংখভাৱে পৰীক্ষা কৰিব। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল।

শ্ৰীগুপ্তাই কয় যে ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দেশখনক এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে  বুলিও তেওঁ কয়। তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এই তদন্ত প্ৰক্ৰিয়া সন্দৰ্ভত কয় যে ৰাজ্য চৰকাৰৰ তত্বাৱধানত অসম আৰক্ষীয়ে এই তদন্ত প্ৰক্ৰিয়া নিয়াৰিকৈ চলাই আছে আৰু ন্যায়পালিকাৰ ওপৰত আস্থা ৰখা হৈছে। অসমীয়া প্ৰাণৰ শিল্পীগৰাকীয়ে নিশ্চিতভাৱে ন্যায় লাভ কৰিব বুলিও তেওঁ মন্তব্য কৰে।

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আজিও আৰক্ষীয়ে কেইবাজনো লোকক সোধা-পোচা কৰে। জুবিন গাৰ্গৰ সহশিল্পী শতাব্দী বৰাৰো আজি আৰক্ষীয়ে ভাষ্য গ্ৰহণ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৃষি গৱেষণা প্ৰতিষ্ঠানত ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে প্ৰধানমন্ত্ৰীৰ ধন-ধান্য কৃষি যোজনা আৰু দাইল উৎপাদনত আত্মনিৰ্ভৰশীলতা অভিযান নামৰ কৃষিক্ষেত্ৰৰ দুটা উদ্যান মুকলি কৰে। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত এই কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰত কৃষি মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। এই আঁচনিৰ জৰিয়তে দেশৰ কৃষি খণ্ড অধিক সমৃদ্ধিশালী হ'ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। আজি প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা এই প্ৰকল্পসমূহৰ ফলত দেশৰ কেইবালাখ কৃষক উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ নৱপ্ৰজন্মক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য মেলা অনুষ্ঠিত কৰিছে। যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিত আজি কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এই মেলা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে বৰহোলাৰ খেৰেমা বনুৱা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোও

আনুষ্ঠানিকভাৱে উদ্বোন কৰে। মন্ত্ৰীগৰাকীয়ে আজি তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত ৰাজ্যৰ সমাজ কল্যাণ বিভাগে নিৰ্মাণ কৰা এনে চাৰিটা অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে।

০০০০০

ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শিলচৰৰ বংগ ভৱনত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিবেশন অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। পতাকা উত্তোলন কৰে কাছাৰ জিলাৰ সাহিত্য সভাৰ সভাপতি ড০ যোগেশ্বৰ বৰ্মনে। ৰাজ্যৰ  ভিন্ন প্ৰান্তৰ পৰা অহা সভাৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ নাম পঞ্জীয়নৰ অন্তত ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি কৌশিক ৰায়ে কাৰ্যনিৰ্বাহক অধিবেশনৰ উদ্বোধন কৰে। সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত **বৰাক বৈভৱ** শীৰ্ষক স্মৃতি গ্ৰন্থ, অসম সাহিত্য সভাৰ পত্ৰিকা আৰু বাৰ্তা উন্মোচন কৰা হয়। আজিৰ কাৰ্যনিৰ্বাহকত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকাণ্ডি জিলাত চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ লগতে সীমা সমস্যা সমাধান, বৰাক উপত্যকাৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰা, অসমীয়া আৰু বাংলা ভাষাৰ অনুবাদ, টোকলাই চাহ গৱেষণা কেন্দ্ৰত চৰকাৰৰ হস্তক্ষেপ, শিলচৰ ৰে'ল ষ্টেছনৰ নাম পৰিৱৰ্তন কৰি ভাষা ছহিদ ষ্টেছন নাম ৰখাৰ দাবী চৰকাৰৰ ওচৰত তুলি ধৰাকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০

সমাপ্ত